# ষষ্ঠ অধ্যায়

# উপসংহাৰ

## ষষ্ঠ অধ্যায়

# উপসংহাৰ

অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। অসমত বাস কৰা বিভিন্ন জাতি-উপজাতিৰ ক্ৰমবিকাশ আৰু সমন্বয়ৰ ভিত্তিতে অসমৰ লোক সংস্কৃতি গঢ় লৈ উঠিছে। এনে সমন্বয়াত্মক পটভূমিতে অসমীয়া আৰু বিভিন্ন ভাষা-ভাষী, জাতি জনজাতি সমাজৰ বিভিন্ন শ্ৰেণীৰ, বিভিন্ন ধৰণৰ লোক সাহিত্য ৰচিত হৈ আহিছে। লোক সমাজত চিন্তা, দৰ্শন, হাঁহি-অশ্রু, প্ৰেম-প্ৰীতি, ৰীতি-নীতি, বিক্ষোভ-বিদ্ৰোহ আদি কৰি সকলো অনুভূতিৰ প্ৰকাশ বাহক লোক সাহিত্য।

প্ৰায়বোৰ লোক সাহিত্যই গীত প্ৰধান। লোক সাহিত্যৰ বাহক মুখ আৰু ঘাই চালিকা শক্তি হ'ল স্মৃতি। স্মৃতিৰ উপযুক্ত বাহক কবিতা বা গীত। যাৰ ফলত জগতৰ প্ৰতিটো জাতিৰ মাজত প্ৰচলিত লোক সাহিত্যত লোকগীতে উল্লেখযোগ্য স্থান অধিকাৰ কৰি আছে আৰু জনসাধাৰণৰ মাজত ইয়াৰ আদৰ সবাতোকৈ অধিক।

অসমীয়া লোক সাহিত্যৰ অমূল্য সম্পদ হ'ল বিহুগীত। অসমীয়া প্ৰাণৰ স্বৰূপ এই বিহুগীতবোৰৰ সমান্তৰালভাৱে অসমত কিছুমান জনজাতীয় লোকগীতো নিজৰ স্থানত সমান জনপ্ৰিয়তাৰে গতি কৰি আহিছে। অসমীয়া সমাজৰ প্ৰিয় বিহুগীত সমূহৰ দৰে মিচিং সমাজৰ অতিকৈ আপোন গীত হ'ল অই নিঃতম। বিহুগীত সমূহত নিৰক্ষৰ অসমীয়া চহা কবিৰ অন্তৰ নিগৰি ওলাই অহা অকৃত্ৰিম অনুভূতিবিলাকেই আত্মপ্ৰকাশ কৰে। অনাখৰী চহা কবিৰ সৃষ্টি যদিও, বিহুগীতৰ মাজত সোমাই থকা কাব্যিক অভিব্যক্তি, অৰ্থৰ প্ৰাচুৰ্য, নান্দনিক সৌন্দৰ্য, সুৰ-তালৰ মাধুৰ্য আৰু অন্তৰ পৰশা প্ৰকাশভংগীৰ বাবে অতুলনীয়। সেই দৰে মিচিং অই নিঃতমো হৈছে মিচিং সমাজ জীৱনৰ দাপোন স্বৰূপ। ডেকা গাভৰুৰ প্ৰেম প্ৰণয়েই অই নিঃতমৰ প্ৰধান উপজীব্য যদিও সমাজ জীৱনৰ সকলো দিশেই ইয়াত ঠাই পায়। প্ৰতিটো অই নিঃতমৰ ৰচনা কৌশলত চহা কবিৰ কোনো ভাষাৰ জটিলতা বা ভাৱৰ গভীৰতা নাই, মাথোঁ আছে সৰল আৰু পোনপটীয়া সুৰৰ মাধুৰী।

বিহুগীত আৰু অই নিঃতমৰ ভাৱ আৰু প্ৰকাশ ভঙ্গীৰ মাজত যথেষ্ট সাদৃশ্য আছে। এই দুয়োবিধ গীতেই চহা জীৱনৰ অনুপম সৃষ্টি। সহজ-সৰল জীৱন যাপন কৰা খেতিয়ক সমাজৰ

অনুভূতিক গীতৰ ভাষালৈ ৰূপান্তৰিত কৰিছে। আৱেগ-অনুভূতি, প্ৰেম-প্ৰীতি, হৰ্ষ-বিষাদ, পোৱাৰ উল্লাস, নোপোৱাৰ বেদনা সকলো কথাই এই দুয়োবিধ গীতত প্ৰকাশ পায়।

অসমীয়া জনজীৱনৰ এই অমূল্য সম্পদ বিহুগীত আৰু অই নিঃতমৰ ইতিহাস, ৰূপান্তৰ, পৰিৱৰ্তন আৰু ইয়াৰ অধ্যয়ন কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। এইবোৰ গীতৰ বুকুত নিহিত হৈ আছে জাতিৰ প্ৰাণৰ স্পন্দন, জীৱনৰ বুৰঞ্জী আৰু সমাজৰ প্ৰতিচ্ছৱি। এই গীতসমূহৰ ইতিহাস, ৰূপান্তৰ, পৰিবৰ্জন আৰু ইয়াৰ অধ্যয়ন কৰাটো অতি প্ৰয়োজন হৈ পৰিছে, অন্যথা জনজাতীয় লোকগীতসমূহ সময়ৰ নিষ্ঠুৰ গতিত বিলীন হৈ যোৱাৰ উপক্ৰম হৈছে। এই লোকগীতসমূহৰ সংগ্ৰহ, সংকলন, প্ৰণালীবদ্ধ বিচাৰ বিশ্লেষণ তথা তুলনামূলক অধ্যয়নৰ জৰিয়তে বৃহত্তৰ অসমীয়া সমাজ সংস্কৃতিৰ বিকাশত জনজাতীয় উপাদান সংমিশ্ৰণৰ বিষয়ে মূল্যবান তথ্য উদঘাটিত হৈছে। এই অধ্যয়নৰ মূল উদ্দেশ্য আছিল অসমীয়া বিহুগীত আৰু অই নিঃতমৰ তুলনামূলক আলোচনা। ইয়াৰ জৰিয়তে দুয়োখন সমাজত পাৰস্পৰিক বুজা পৰাৰ সুবিধা আনি দিব। যিহেতু বিহুগীত আৰু অই নিঃতমসমূহৰ মাজত স্বভাৱ কবিয়ে দুয়োখন সমাজক সৰ্বাঙ্গ সুন্দৰ ৰূপত প্ৰকাশ কৰিছে। এনে অৰ্থত দুয়োবিধ গীত সমাৰ্থক। বিহুগীত আৰু অই নিঃতম সমূহৰ মাজত সাদৃশ্য বিচাৰে দুয়োখন সমাজৰ সম্পৰ্ক ৰক্ষা কৰাত সহায়ক হ'ব। অসমীয়া আৰু মিচিং লোকগীতৰ তুলনামূলক অধ্যয়নে দুয়োখন সমাজত প্ৰচলিত লোকগীত সমূহৰ এটা নতুন দিশ উন্মোচন কৰাৰ সম্ভাৱনা আনি দিব।

প্ৰথম অধ্যায়টো হ'ল অসমীয়া আৰু মিচিং লোকগীতঃ পটভূমি আৰু পৰিক্ৰমা। য'ত লোকগীতৰ অভিধানিক অৰ্থ, ভিন্নজনে আগবঢ়োৱা সংজ্ঞা, লোক সংস্কৃতিৰ ভাগ, আধাৰ, মৌখিক সাহিত্য বা বাচিক কলাৰ শ্ৰেণী, উপশ্ৰেণী, জনগোষ্ঠীগত বিভিন্ন গীতৰ পৰিচয়ৰ লগত কিছু দাহৰণ দাঙি ধৰা হৈছে। ইয়াত অসমৰ তিববতবৰ্মী মিচিং জনগোষ্ঠীৰ লোক সাহিত্য বিস্তৃত ৰূপত ফহিয়াই আলোচনা কৰা হৈছে। মৌখিক গীতি সাহিত্য হিচাপে অই নিঃতমৰ গুৰুত্ব ইয়াৰ সৃষ্টিৰ পটভূমি আৰু পৰিক্ৰমা উল্লেখ কৰা হৈছে।

দ্বিতীয় অধ্যায়টো হ'ল বিহুগীত আৰু অই নিঃতম এক তুলনামূলক আলোচনা। ইয়াত বিহুগীত আৰু অই নিঃতম দুয়োবিধ গীত চহা কবিৰ মনত কেনেকৈ সৃষ্টি হ'ল, ৰচনা ৰীতি প্ৰকাশভঙ্গী, উপমা প্ৰয়োগ ভাৰ ভাষা আদি দিশবোৰত কেনেকৈ দুয়োবিধ লোকগীতৰ সাদৃশ্য আছে তাৰ

আলোকপাত কৰা হৈছে।

তৃতীয় অধ্যায়ত বিহুগীত আৰু অই নিঃতমত প্ৰতিফলিত অসমৰ প্ৰকৃতিৰ ওপৰত আলোচনা কৰা হৈছে। সুদূৰ অতীতৰ পৰা অসমীয়া মানুহ অসমৰ মনোৰম প্ৰকৃতিৰ লগত গভীৰ সম্বন্ধৰে বান্ধোন খাই আহিছে। প্ৰকৃতি তেওঁলোকৰ অতি আপোন আৰু মৰমৰ। বিহুগীত আৰু অই নিঃতমবোৰত গ্ৰাম্য কৃষক জীৱনৰ প্ৰতিচ্ছবি প্ৰকাশ পায়। অসমৰ অনুপম প্ৰকৃতিৰ অন্তৰ্গত গছ-লতাকেই ডাল, পথাৰকেইখন, নৈকেইখন, অসমৰ ভূগোল-বুৰঞ্জী, অসমীয়া ৰুচি-অভিৰুচি, পিন্ধন-উৰণ, অসমীয়া নাৰীৰ ৰূপ লাৱণ্য, শিল্প নৈপুণ্য আদি দিশ আলোকপাত কৰা হৈছে।

চতুৰ্থ অধ্যায়ত, বিহুগীত আৰু অই নিঃতমৰ নান্দনিকত্বৰ ওপৰত বিশ্লেষণ কৰা হৈছে। বিহুগীত আৰু অই নিঃতম হ'ল উদ্দাম যৌৱনৰ বাসনাৰ উন্মুক্ত প্ৰকাশ। বিহুগীতবোৰ সাধাৰণতে ত্ৰিপদী চন্দত ৰচিত, য'ত কোনো কোনো স্তৱকৰ দ্বিতীয় ভাগত মনৰ ভাৱটো প্ৰকাশ হয়, প্ৰথম ভাগত কেৱল সেই ভাৱৰ লগত ৰজিতা খুৱাই একোটা প্ৰাকৃতিক চিত্ৰ দাঙি ধৰা হয়। আনহাতে, অই নিঃতম দুটি পংক্তি বিভক্ত। প্ৰথম পংক্তি সাধাৰণতে প্ৰকৃতিৰ নৈসৰ্গিক ৰূপৰ বৰ্ণনা আৰু দ্বিতীয় পংক্তিত প্ৰকৃতিৰ সতে চহা কবি বা গায়ক-গায়িকাৰ ব্যক্তিগত জীৱনৰ তুলনা বা উপমা। প্ৰতিটো পংক্তি ১৪টা অক্ষৰযুক্ত। ইয়াৰো প্ৰতিটো পংক্তিত থকা ১৪টা অক্ষৰত ৭ কৈ দুটা পৰ্বত ভাগ কৰিছে। বিহুগীত বোৰ লগত মূলৰ লগত সংগতি ৰাখি দুটা পংক্তি সংযোগ কৰি গোৱা হয় যাক যাতনাম আৰু মিচিং অই নিঃতমৰ ক্ষেত্ৰত 'অই কলি' বুলি কোৱা হয়।

পঞ্চম অধ্যায়ত বিহুগীত আৰু অই নিঃতমৰ প্ৰকাশভঙ্গী ওপৰত আলোচনা কৰা হৈছে। দুয়োবিধ গীতে সহজ সৰল। কোমল কোমল শব্দৰ গাঁঠনিৰে সৰল ৰূপত ব্যক্তি ভাৱনাৰ স্বচ্ছ আৰু মুক্ত প্ৰকাশ পোৱা যায়। ই চহা জীৱনৰ প্ৰাণৰ ভাষা, ভাৱাৰ্থ সকলোৰে বাবে মুকলি।

এনেদৰে বিস্তৃত তুলনামূলক আলোচনাৰ পৰা বিহুগীত আৰু অই নিঃতমত প্ৰতিফলিত বিশেষ বিচাৰৰ দিশসমূহ হৈছে এনেধৰণৰ —

(১) এই দুয়োবিধ গীত আৰু শ্ৰেণী ধৰ্মনিৰপেক্ষ প্ৰসিদ্ধ মৌখিক সাহিত্য। প্ৰকৃতি-জীয়ৰী অসমৰ পুৰণিকলীয়া ৰেহ-ৰূপ, অসমীয়া ডেকা-গাভৰুৰ স্বভাৱজাত প্ৰবৃত্তি, অতীত অসমৰ সামাজিক, ধৰ্মীয়, আৰ্থিক আদি বিষয়ৰ নানা চিত্ৰৰ স্বাক্ষৰ বহন

কৰিছে এই গীতবোৰে।

(২) নিৰক্ষৰ চহা কবিৰ অন্তৰ নিগৰি ওলাই অহা অকৃত্রিম অনুভূতিবিলাকেই এদিন বিহুগীত বা অই নিঃতমৰ ৰূপত আত্মপ্রকাশ কৰিছিল। অনাখৰী চহা কবিৰ সৃষ্টি যদিও, এইবোৰ গীতৰ মাজত সোমাই থকা কাব্যিক অভিব্যক্তি, অৰ্থৰ প্রাচুর্য, নান্দনিক সৌন্দৰ্য, সুৰ-তালৰ মাধুৰ্য আৰু অন্তৰ পৰশা প্রকাশ ভঙ্গীৰ বাবে ই বাচকবনীয়া।

(৩) বিহুগীত বা অই নিঃতমৰ উৎপত্তি কেতিয়া হৈছিল তাক সহজে কোৱা টান যদিও এনে গীত অসমীয়া জাতীয় পৰিচয়, অসমীয়াৰ প্রাণৰ স্পন্দন, অসমীয়া সমাজ-জীৱনৰ এক জীৱন্ত দলিল।

সচৰাচৰ পৃথিৱীৰ সকলো লিখিত সাহিত্যৰ আৰম্ভণিতে মৌখিক সাহিত্য সৃষ্টি হোৱাৰ দৰে বিহুগীত আৰু অই নিঃতমসমূহ মৌখিক সাহিত্য হিচাপে সৃষ্টি হৈছে। সৃষ্টিৰ আদিম পুৱাতে মানুহে যেতিয়া শব্দৰ যোগেদি মনৰ ভাৱ অনুভূতি প্রকাশ কৰিব পৰাৰ ক্ষমতা লাভ কৰিলে তেতিয়াৰ পৰাই এই মৌখিক সাহিত্যবোৰ সৃষ্টি হৈ আহিছে। এনে গীতবোৰক আদিম কালৰ পৰা বৈ অহা এখন নদীৰ সোঁতৰ লগত ৰিজাব পাৰি। নদীৰ উৎপত্তি কেতিয়া হ'ল তাক মানৱ সমাজে সহজে ক'ব নোৱাৰে, তাৰ উৎস ক'ত সেয়াও সহজে দৃষ্টিগোচৰ নহয়। অথচ নদীৰ পানী আৰু বোঁৱতী সোঁতৰ লগত মানুহৰ এক নিবিড় সম্পৰ্ক। কালৰ গতিত নদীৰ সোঁতে গৰা খহাই গতি সলনি কৰে, পাৰৰ জাবৰ জাঁজী উটুৱাই নি নদীক গৰ্ভাৱতী কৰে। বিহুগীত আৰু অই নিঃতমৰো উৎপত্তি কেতিয়া হ'ল তাক ক'ব নোৱাৰি। কিন্তু মানুহৰ মুখে মুখে বাগৰি আহি বৰ্তমানৰ ৰূপ পাইছেহি। বিভিন্ন ঘটনা আৰু পাৰিপাৰ্শ্বিকতাৰ প্রভাৱত ইয়াৰ বিষয়বস্তুৰ সমৃদ্ধি হৈছে।

(৪) বিহুগীত আৰু অই নিঃতমৰ কোনো ৰচক নাই, নাইবা কোনো বিশেষ গায়ক-গায়িকাৰ মুখত ই আৱদ্ধ হৈ নাথাকে। যিয়ে গায় তেওঁৰেই অন্তৰৰ ভাষা হৈ পৰে - প্রাণৰ ভাষা হিচাপে প্রকাশ পায়। যিয়ে ইবোৰ গীত শুনে তেওঁৰো অন্তৰৰ ভাষা

হিচাপে প্ৰকাশ পায়। সেয়ে বিহুগীত আৰু অই নিঃতমৰ গায়ক আৰু শ্ৰোতাৰ মাজত ভাৱৰ, সমৰূপতা স্থাপন হয়।

(৫) বিহুগীত আৰু অই নিঃতমত ‘তুমি’, ‘মই’ ইত্যাদি সৰ্বনামৰ প্ৰয়োগ থাকিলেও সি কোনো ব্যক্তি বিশেষৰ উল্লেখ নহয়। গায়ক আৰু শ্ৰোতা উভয়েই তুমি আৰু মই হৈ গীতৰ ভাৱত অন্তৰ্লীন হয়। বিহুগীত আৰু অই নিঃতম কোনোবা সময়ৰ ব্যক্তি বিশেষক লৈ গোৱা গীত নহয়, ই সকলো সময়ৰ সকলো মানুহৰ অন্তৰৰ ভাষা প্ৰাণৰ গীত। সেয়ে, ইবোৰ গীতৰ ভাৱ সাৰ্বজনীন, চিৰন্তন।

(৬) বিহুগীত আৰু অই নিঃতমৰ প্ৰধান উৎস হৈছে প্ৰেম। জন্ম, বিবাহ আৰু মৃত্যু মানুহৰ চিৰন্তন ৰূপ আৰু গতি। বিবাহৰ পূৰ্বে নাৰী আৰু পুৰুষৰ মাজত, ডেকা-গাভৰুৰ মাজত পৰস্পৰে পৰস্পৰৰ প্ৰতি কৰা হিয়াৰ বিনিময়, হাস্য, কটাক্ষ আদিৰ সহায়ত ভাৱ, বিভাৱ, অনুভাৱ, উদ্দীপন, বিভাৱ আদি ৰসৰ সঞ্চাৰেই এই প্ৰেম। পোৱাৰ আনন্দতকৈ নোপোৱাৰ বেদনাই প্ৰেমৰ উদ্দীপক। মিলন বা বিবাহৰ যোগেদিয়ে প্ৰেমে পৰিপূৰ্ণতা লাভ কৰে। কিন্তু মিলনৰ পৰিপূৰ্ণতা চহা কবিৰ ভাৱত উদ্দীপনা হেৰাই যায়। ৰোমাণ্টিক কবিসকলে প্ৰেমৰ অপূৰ্ণতাকেই কবিতাৰ প্ৰেৰণাৰ উৎস হিচাপে গ্ৰহণ কৰাৰ দৰে চহা গাঁৱলীয়া এই গীতৰ গায়ক কবি সকলেও অপূৰ্ণ প্ৰেম বা প্ৰেমপূৰ্বক আশা, নিৰাশা, ৰাগ, অনুৰাগ, আলম্বন, বিলম্বন ইত্যাদিকে প্ৰেৰণাৰ উৎস হিচাপে গণ্য কৰে।

(৭) অই নিঃতম আৰু বিহুগীতৰ বিষয়বস্তু প্ৰধানকৈ প্ৰেম বিষয়ক কিন্তু সকলো ৰসৰ সোৱাদেৰে পৰিপূৰ্ণ। আশা-নিৰাশা, হতাশ, মিলন, বিচ্ছেদ, আশাভঙ্গ, সুখ-দুখ, হাঁহি-কান্দোন, ঠাট্টা, বিদ্ৰূপ, প্ৰশংসা, নিন্দা, চেনাইলৈ অধীৰ অপেক্ষা, যুগমীয়া প্ৰেমৰ প্ৰতিফলন, বিস্ময়, প্ৰশ্ন, অঙ্গৰাগ, ৰূপ লাৱণ্য, নিবেদন, বিৰহ, বেদনা, বিশ্বাস, সন্তোষ্টি, ইচ্ছা, সন্দেহ, প্ৰলোভন, আক্ষেপ, নৈৰাশ্য, সপোন, লগৰীৰ অভিজ্ঞতা, উপদেশ, সমমৰ্মিতাসূচক সকলো ৰসৰ বিষয়েই প্ৰকাশ পায়।

কেৱল সেয়ে নহয় সমসায়িক সামাজিক, ৰাজনৈতিক, আচাৰ-ব্যৱহাৰ, যুদ্ধ-বিগ্ৰহ ইত্যাদি বিষয়বস্তু উক্ত গীতসমূহত প্ৰকাশ পায়। অই নিঃতম আৰু বিহুগীতত কোম্পানী, জাহাজ, চীনাযুদ্ধ, মহাত্মা গান্ধী, পিষ্টল, বন্দুকৰ গুলী, স্কুটাৰ, তাজমহল ইত্যাদি শব্দৰ প্ৰয়োগ আৰু উপমাই এই কাব্যৰ সাক্ষ্য বহন কৰে। এক কথাত অই নিঃতম আৰু বিহুগীতত যি বিষয়বস্তু নাই সি গোটেই অসমীয়া সমাজতে নাই।

(৮) অই নিঃতম আৰু বিহুগীতৰ ভাৱ সাধাৰণতে নৈসৰ্গিক ৰূপৰ বৰ্ণনা আৰু তাৰ লগত চহা কবি বা গায়ক-গায়িকাৰ ব্যক্তিগত জীৱনৰ তুলনা বা উপমা।

(৯) বিহুগীত আৰু অই নিঃতমৰ ভাষা সৰল, প্ৰচলিত আৰু কথিত ভাষাৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াত দুৰ্বোধ্য অথবা দুষ্প্ৰাপ্য শব্দৰ প্ৰয়োগ নহয়। সেইবাবে অই নিঃতমৰ ভাষা সৰ্বজনৰ ভাষা। সময়ৰ পৰিৱৰ্তনৰ লগত ভাষাও পৰিৱৰ্তন হয়।

(১০) অই নিঃতম আৰু বিহুগীত মুখ্যতঃ মৌখিক গীত। য'ত সুৰ আছে তাত আছে তালৰ লগত এটা নিবিড় সম্পৰ্ক। নিৰক্ষৰ স্বভাৱ কবি সকলে সচেতন ছন্দ জ্ঞান নাথাকিলেও সুৰ আৰু তালৰ সমতা স্থাপন কৰিবলৈ যাওঁতে ছন্দ আপোনা-আপুনি নিৰ্দিষ্ট পৰিসীমাত আৱদ্ধ হৈ পৰে।

বিহুগীতবোৰ সাধাৰণতে ত্ৰিপদী ছন্দত ৰচিত আৰু প্ৰত্যেকটো স্তৱক স্বয়ংসম্পূৰ্ণ। কোনো কোনো স্তৱকৰ দ্বিতীয় ভাগত মনৰ ভাৱটো প্ৰকাশ হয়, প্ৰথম ভাগত কেৱল সেই ভাৱৰ লগত ৰজিতা খুৱাই একোটা প্ৰাকৃতিক চিত্ৰ দাঙি ধৰা হয়।

(১১) বিহুগীতৰ বিশাল পৰিধিৰ এটা প্ৰধান অংগ 'জাতনাম' সেইদৰে অই নিঃতমৰ অই কলি বা মচেদ্ মনাম, মচেদ্ অই' খণ্ড ছিগা বিহুগীত/নাম আৰু বিহুনামৰ জাতৰ উল্লেখ কৰা হ'ল —

*ওপৰে উৰিলে কালিন্দী ভোমোৰা*
*থিয় হৈ আছিলোঁ চাই*
*তোমাৰে আশাৰে প্ৰথমৰ পীৰিতি*
*চকুৰে চকুৰে চাই।*

দুলড়ী ছন্দত ৰচিত চাৰি শাৰীৰ এনে নামে প্ৰথমে যোজনাৰ ৰূপত আত্মপ্ৰকাশ কৰিছিল। এনে নামৰ প্ৰধান বিষয় আছিল প্ৰেম। প্ৰেম সৃষ্টিৰ মূলমন্ত্ৰ, প্ৰেম জীৱনৰ আদিপাঠ, গতিকেই বিহুগীতত প্ৰেমৰ প্ৰাধান্য অধিক। লাহে লাহে যোজনাৰ সুৰৰ উপৰি চুটি সুৰৰ খণ্ড ছিগা নামৰ প্ৰচলন হ'ল। প্ৰেমৰ বিষয়বস্তুৰ লগতে প্ৰকৃতি, সামান্য জীৱন, বুৰঞ্জী আদি বিষয়সমূহেও এই খণ্ডছিগা বা জাতনামৰ বুকুত স্থান পালে। ঢোল, পেঁপা, টকা আদি বাদ্যযন্ত্ৰও প্ৰচলিত হ'ল আৰু লগে লগেই বিহুগীতৰ জাত ৰচিত হ'ল।

খণ্ডছিগা নামৰ মাজেৰে, দুলড়ী ছন্দত, কম কথাৰে সহজ-সৰলভাৱে বিহুৱা-বিহুৱতীসকলে মনৰ ভাৱ প্ৰকাশ কৰিছিল। ইয়াৰ ফলতেই যোৰা নামৰো সৃষ্টি হৈছিল খণ্ডছিগা নামৰ ৰূপতেই।

অসমৰ জাতীয় সংস্কৃতি মানেই হ'ল প্ৰাক্ঐতিহাসিক কালৰে পৰা আজিলৈকে এই সুদীৰ্ঘ পৰিক্ৰমাৰ ভিতৰত বৃহত্তৰ অসমত প্ৰব্ৰজনক ঘটা বিভিন্ন জনগোষ্ঠীৰ কৃষ্টিৰ এক ঐতিহাসিক পৰিসংশোধিত ৰূপৰ সমাহাৰ। এই পৰিসংশোধিত কৃষ্টিৰ এটা মহান ৰূপ হ'ল আখৰে হাড়ে-হিমজুৰে লাগি থকা কৃষি উৎসৱ বিহু সংস্কৃতি আৰু মিচিংসকলৰ আলি আঃয়ে লৃগাং।

সময় গতিশীল। ই কালৈকো ৰৈ নাথাকে। সময়ৰ সোঁতত মানুহৰ জীৱন-জীৱিকাই ৰূপ সলাইছে। গৰু যুঁৱলিত বান্ধি, নাঙলেৰে হালবাই মাটি চহোৱাৰ পৰিৱৰ্তে পথাৰ চহাবলৈ মানুহে আধুনিক যান্ত্ৰিক ব্যৱস্থা গ্ৰহণ কৰিছে। বিহু নাচি নাচি ভৰিৰ গিৰিপনিৰ তেজোময়তাৰে পথাৰ উৰ্বৰা কৰাৰ বিপৰীতে ৰাসায়নিক সাৰ প্ৰয়োগৰ আধুনিক ব্যৱস্থা গ্ৰহণ কৰিছে। এনে ক্ষেত্ৰত বিহুৰ প্ৰকৃত উদ্দেশ্য ম্লান হোৱাৰ লগতে মাদকতা আৰু আবেগ আকুলতাও কমি অহাটোৱে নিতান্তই স্বাভাৱিক কথা হৈ পৰিছে। কিন্তু ব'হাগ বসন্তৰ ৰং যে অসমীয়া জাতিৰ জীৱনৰ ৰং, বিহু অসমীয়াৰ হিয়াৰ আমঠু, সমন্বয়ৰ জাতীয় ক্ষেত্ৰ, বিহুগীত আৰু অই নিঃতম অসমীয়া মানুহৰ মনৰ ভাষা, ভাৱ। সেইবাবেই বিহু জীয়াই আছে। অসমীয়া জাতি থাকে মানে বিহুও জীয়াই থাকিব আৰু এই মৌখিক গীত-মাতবোৰো জীয়াই থাকিব।

'ব'হাগ বিহুক কেন্দ্ৰ কৰি মুখে মুখে চলি অহা বিহুনামবোৰ কাব্য গুণত অনুপম। এইবিলাক ঋতু পৰিৱৰ্তনত ওপজা মনৰ আনন্দ আৰু মৌন-কামনা দুয়ো ভাৱ অন্তৰ পৰশাকৈ প্ৰকাশ পাইছে। চাৰিশৰীয়া পাতল কলিবিলাক নৃত্যৰ তালৰ লগত গাব পৰা। প্ৰাক্ আৰ্য উৰ্বৰতা অনুষ্ঠান এটিৰ

প্ৰেৰণা লৈ সৃষ্টি পোৱা গীতবিলাকত আৰু বিৰহৰ অনুভূতিৰ উপৰি গাঁৱলীয়া ৰাইজৰ খেতি-পথাৰৰ লগত সম্বন্ধ, জীৱন-সংগ্ৰাম সম্বন্ধে চিন্তা, সৌন্দৰ্যবোধ, ঘৰুৱা জীৱনৰ ছবি, লোকাচাৰ, অৰ্থনৈতিক অৱস্থা আদি বিবিধ ৰুচিৰ আভাস লক্ষ্য কৰিব পাৰি। বনগীতৰ ৰূপত বহুতো বিহুনাম বছৰটোৰ যিকোনো সময়তে মনৰ ভাৱ-চিন্তা প্ৰকাশ কৰিব পৰা এক প্ৰকাৰ কাব্যিক ভাষা। অসমীয়া জনগীতসমূহৰ ভিতৰত বিহুনামেই আটাইতকৈ মন পৰশা।'[১]

বিহুনাম এটিক যদি পদ বুলি ধৰা যায়, তেতিয়া ঘোষাৰ দৰে দোহাৰি গোৱা অংশক বিহুনামৰ জাত বোলে। এই জাতসমূহেই হ'ল বিহুনামৰ প্ৰধান আকৰ্ষণ।

বিহুগীত সম্পৰ্কত প্ৰদীপ নেওগৰ ভাষাত 'গীত আৰু নাম এই শব্দ দুটি একাৰ্থক। আমাৰ ভালেসংখ্যক লোকগীতৰ ক্ষেত্ৰত নাম শব্দটিৰ প্ৰয়োগৰ বৈশিষ্ট্য লক্ষণীয়। উদাহৰণ স্বৰূপে বিয়ানাম, বিহুনাম, দিহানাম, নামপ্ৰসঙ্গ ইত্যাদি। আন এক মন কৰিবলগীয়া কথা হ'ল এই যে এই নামবিলাকত সাধাৰণতঃ কেইবাজন বা কেইবাগৰাকীৰ কণ্ঠ ব্যৱহৃত হয়। বিহু অনুষ্ঠান সমূহত গোৱা নাম একোটিত কেইবাজনৰো কণ্ঠ বৰহৃত হয় বাবে সিবিলাকক বিহুনাম বোলা হয়। যেতিয়াই উক্ত কেইবাজনৰো কণ্ঠ ব্যৱহাৰৰ ৰীতি প্ৰয়োগ নহয় তেতিয়াই সিবিলাকক বিহুগীত বুলি নিৰ্দ্দিষ্ট কৰিব পৰা যায়। বিহুগীতে বিহুনাম বনঘোষা উভয়কে সামৰে।'[২]

অসমীয়া ভাষাৰ মৌখিক সাহিত্যৰ অন্তৰ্গত বিহুগীত আৰু অই নিঃতম কাব্যৰ সৌন্দৰ্য অতুলনীয়। ইবিলাক আমাৰ সাহিত্যৰ অমূল্য সম্পদ। নিৰক্ষৰ চহা মানুহৰ মনৰ কথাৰে তেওঁলোকে ৰচনা কৰা হয় এই সাহিত্য, সেইবাবেই ইয়াত জটিলতাৰ সাঁচ নাই। বিষয়বস্তু অনুযায়ী ভাষাই গঢ় লয়। গতিকে লোক সাহিত্যৰ বিষয়বস্তু সকলোৰে চুব আৰু চাব পৰা। সেইদৰে ইয়াৰ ৰচনা ভংগীও স্বাভাৱিকতে সৰল।

লোকগীতবোৰ যেন সমাজৰ সংগঠন সংৰক্ষণ, সংস্কাৰ তথা সৰ্বাঙ্গীন উন্নতিৰ প্ৰদৰ্শক। সেয়ে জাতীয় জীৱনত তথা সংস্কৃতিৰ অগ্ৰগতিত এই গীতবোৰ অমূল্য সম্পদ।

---

১। দত্ত গোস্বামী, প্ৰফুল্ল ঃ বাৰ মাহৰ তেৰ বিহু, পৃ. ৯২
২। নেওগ, প্ৰদীপ ঃ ৰভালী বিহুৰ নৃত্য গীত, পৃ. ৩৫